A Collection of selected Research Papers submitted at the ICSSR Sponsored National Seminar on

# Feminism:Indian and Western- Exploring Intersections, Parallel and Divergences

*Organised by*

Department of Philosophy , Jorhat College

on 28th and 29th March, 2025

JORHAT COLLEGE

ICSSR

Indian Council of Social Science Research

Editor

Dr Ranjit Bhattacharyya

**Feminism: Indian and Western- Exploring Intersections, Parallel and Divergences**

A Collection of selected Research Papers submitted at the ICSSR sponsored National Seminar on "Feminism: Indian and Western- Exploring Intersections, Parallel and Divergences", organized by Department of Philosophy , Jorhat College on 28th and 29th March, 2025, edited by Dr Ranjit Bhattacharyya, HoD and Assistant Professor, Department of Philosophy, Jorhat College.

Copyright : Jorhat college Publication Cell.

First Edition : 15 May, 2025

Cover: Syed Parviz Hussain

Price : 600.00

ISBN: 978-81-97203-8-5-5

Printed at Sanskriti Prakashan, Jorhat-1

---

Disclaimer : The Editor and Publisher, IN NO WAY, is responsible for the originality, authenticity and plagiarism published in the content of the research papers.

Violence against Women in India – Its Legal frameworks and policies

Mrs. Panchali Borgohain & Mrs. Monmirekha Bora 218

Women Empowerment Through Quality Education: Prospect and Future

Dr. Malaya Borah & Meghali Borah 236

Caste, Gender and Feminism in India: An Intersectional Perspective

Sima Chellang & Rajnandini Dam 247

A study on Impact of Financial Inclusion on Economic Empowerment of Thengal Kachari Women in Titabar sub-division, Jorhat

Ms. Minisha Rajkhowa 259

Motherhood in Maryse Condé: Choice, Necessity or Resistance

Rupasree Dutta 276

আধুনিক অসমীয়া কবিতাত মহাকাব্যৰ নাৰী চৰিত্ৰৰ পুনৰ্নিৰ্মাণ আৰু নাৰীবাদী চেতনাৰ প্ৰকাশ

✍ ড° জ্যোতিৰ্ময় বৰদলৈ ২৮৭

উদাৰতাবাদী নাৰীবাদঃ এক সমালোচনা

✍ গায়ত্ৰী বৰকটকী, শাশ্বতী বৰা আৰু বিশাল শইকীয়া ৩০৪

অণিমা সেনৰ পাশ্চাত্য নাৰীবাদী চিন্তা-চেতনাৰ প্ৰতিফলনঃ এক বিশ্লেষণাত্মক অধ্যয়ন।

✍ ড° শ্ৰাৱণী দত্ত আৰু পূৰ্ণিমা শইকীয়া ৩১১

ইন্দিৰা মিৰিৰ আত্মজীৱনী 'মই আৰু নেফা'ৰ বৰ্ণিল দুঃসাহসিক জীৱন : এটি আলোচনা ✍ অৰুণ নেওগ ৩২৪

অসমীয়া উপন্যাসত নাৰীবাদ ✍ ড° পাপৰি বৰা ৩৩২

# ইন্দিৰা মিৰিৰ আত্মজীৱনী 'মই আৰু নেফা'ত বৰ্ণিত দুঃসাহসিক জীৱন ঃ এটি আলোচনা

তৰুণ লইং
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
যোৰহাট কলেজ

ইন্দিৰা মিৰি অসমৰ শিক্ষা জগতৰ এক পৰিচিত নাম। অসমৰ উপৰি অৰুণাচল প্ৰদেশৰ (সেই সময়ৰ নেফা) দুৰ্গম ঠাইত হাতীৰ পিঠিত উঠি জনজাতিসকলৰ মাজত শিক্ষা বিস্তাৰৰ বাবে ত্যাগ স্বীকাৰ কৰিছিল। দুৰ্গম বাট-পথৰ উপৰি জনজাতিসকলৰ মাজত গৈ বিদ্যালয় প্ৰতিষ্ঠা কৰাটো সহজ সাধ্য নাছিল। মিৰি সম্প্ৰদায়ৰ লগত বিয়া হোৱা বাবে তেওঁৰ স্বামীৰ পৰিয়ালে চাং ঘৰত উঠিবলৈ দিয়া নাছিল। অৱশেষে সুকীয়াকৈ এটা চাংঘৰ সাজি স্বামীৰ সৈতে থাকিবলৈ সুবিধা কৰি দিছিল। মাত্ৰ সাত বছৰ সুখী জীৱন অতিবাহিত কৰাৰ পিছত বৈধব্যক আঁকোৱালি ল'বলৈ বাধ্য হোৱা ইন্দিৰা মিৰিয়ে অতি প্ৰত্যাহ্বানপূৰ্ণভাৱে জীৱনৰ বাকী সময়ছোৱা পাৰ কৰিছিল। দুৰ্গম বাট-পথ, শিক্ষা-দীক্ষাৰ প্ৰতি অসচেতন, পৰম্পৰাগত জনজাতীয় সংস্কৃতিৰ সৈতে বিলীন হৈ থকা লোকসকলক শিক্ষা সম্পৰ্কে সজাগ কৰাটো সেই সময়ৰ একধৰণৰ অসম্ভৱ যেন লগা কাম আছিল। তেওঁৰ আত্মজীৱনী 'মই আৰু নেফা'ত বৰ্ণিত জীৱন সংগ্ৰাম, দুঃসাহসিক অভিযান বৰ্ণনাৰে আত্মজীৱনীখন পৰিপূৰ্ণ।

উদ্দেশ্য ঃ (১) ইন্দিৰা মিৰিৰ আত্মজীৱনী 'মই আৰু নেফা'ত বৰ্ণিত জীৱন সংগ্ৰামৰ আভাস দাঙি ধৰা।

(২) 'নেফা'ত চাকৰি কৰি থকা সময়ত সন্মুখীন হোৱা দুঃসাহসিক অভিযান সম্পৰ্কে বিৱৰণ দাঙি ধৰা।

(৩) শিক্ষাবিদ হিচাপে ইন্দিৰা মিৰিৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

পদ্ধতি ঃ আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতি লোৱা হৈছে। প্ৰধানকৈ দ্বিতীয়িক তথ্যৰ আধাৰত আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে।

ইন্দিৰা মিৰিৰ জীৱন সংগ্ৰাম সম্পৰ্কে তেওঁ মাতৃৰ মৃত্যুৰ সময়তেই বৰ্ণ বৈষম্যৰ বলি হ'ব লগা হৈছিল। বিশেষকৈ তেওঁলোক খাচিয়া সম্প্ৰদায়ৰ আছিল বাবে শিলঙৰ পৰা অসমীয়া সমাজে শ সংকাৰ কৰাৰ পৰা বিৰত আছিল। সেই বিষয়ে তেওঁৰ আত্মজীৱনীত লিখিছে — "এই শিলঙতে মোৰ মাৰ মৃত্যু হয়। অসমীয়া কোনো এজনো শৱ সংকাৰৰ বাবে নাহিল। কাৰণ আমি অন্য জাতি। বঙালী ব্ৰাহ্মণসকলেহে এই বিপদত পিতৃদেৱক উদ্ধাৰ কৰিলে। অকল শৱ সংকাৰেই নহয়, এমাহ ধৰি ঘৰত দুইবেলা প্ৰাৰ্থনা-উপাসনা আদি কৰি মাহতেক শ্ৰাদ্ধাদি কৰি পিতৃদেৱৰ অন্তৰত অকল শান্তিয়েই নহয়, ব্ৰাহ্ম ধৰ্মৰ প্ৰতি বিৰাট অনুৰাগৰ সৃষ্টি কৰিলে। এই অনুৰাগ তেওঁৰ জীৱনৰ শেষ দিনলৈকে আছিল। তেওঁৰ শৰীৰে পৰা দিনলৈকে প্ৰতি দেওবাৰে ব্ৰাহ্ম সমাজৰ দেওবৰীয়া উপাসনালৈ নিয়মিতভাৱে অতি নিষ্ঠাৰে গৈছিল। খবতো সদায় ব্ৰাহ্ম সংগীত গাই ভাল পাইছিল। মোৰ পিতৃদেৱ মূলতঃ সাত্ত্বিক হিন্দু আছিল। বেদ, পুৰাণ, উপনিষদৰ প্ৰতি শ্ৰদ্ধাবান হিন্দু। সেয়েহে তেওঁৰ অকল ব্ৰাহ্ম ধৰ্মই নহয় সকলো ধৰ্মৰ প্ৰতিয়ে এটা উদাৰ দৃষ্টি আছিল যি তেওঁক সকলো ধৰ্মলৈকে শ্ৰদ্ধাবান কৰিছিল। তেওঁৰ শৰীৰত থকা কালত প্ৰায়ে গীৰ্জালৈও গৈছিল।" (পৃষ্ঠা ২৪)

একেদৰে বিয়া হোৱাৰ ঠিক সাত বছৰৰ পিছতেই তেওঁৰ স্বামী মহীচন্দ্ৰ মিৰিৰ মৃত্যু ঘটে। তিনিটাকৈ এমা-ডিমা ল'ৰা-ছোৱালীৰ সৈতে বৈধব্যৰ জীৱন কটোৱাৰ সময়ত এমা-ডিমা ল'ৰা-ছোৱালী এৰি শিক্ষাৰ ক্ষেত্ৰখনত আত্মনিয়োগ কৰিবৰ বাবে প্ৰশিক্ষণ ল'বলৈ আহমেদাবাদৰ মণ্টেশ্বৰী আৰু ইংলেণ্ডৰ এডিনবৰা বিশ্ববিদ্যালয়লৈ যাব লগা হৈছিল। সেই সম্পৰ্কে তেওঁ লিখিছে — "বিলাতলৈ যাওঁতে ল'ৰা-ছোৱালী এৰি যোৱাৰ বাবে খুবেই বেয়া লাগিছিল" *(পৃষ্ঠা ৫০)*। আজীৱন শিক্ষাব্ৰতী হিচাপে জীৱন উছৰ্গা কৰিবলৈ ইন্দিৰা মিৰিয়ে অসম আৰু অৰুণাচল প্ৰদেশত শিক্ষা বিস্তাৰৰ বাবে নিজে উদ্যোগ লৈ বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল।

ইন্দিৰা মিৰিৰ দুঃসাহসিক জীৱন সম্পৰ্কে তেওঁৰ আত্মজীৱনীৰ কেইবাঠাইতো বৰ্ণনা পোৱা যায়। উদাহৰণস্বৰূপে — "মোৰ এই দুৰ্গম অভিযানলৈ

ঘূৰি চালে আচৰিতেই হওঁ। বেছি ভাগ সময় খোজকাঢ়িয়েই গৈছিলোঁ দিনে দহ-বাৰ মাইল বাট। বাটটো বাট, দুৰ্গম লুংলুঙীয়া গিৰিপথ। কেতিয়াবা দিনাকত লক্ষাহুন পাঁচ। মাজে মাজে নাৱেৰে পাৰ হ'ব লাগে তীব্ৰ বেগে বৈ যোৱা পৰ্বতীয়া নৈবিলাক, আকৌ কেতিয়াবা বুঢ়া মানুহৰ দাঁত ন'বা দি দলি থকা শিলৰ দলংবোৰে। ক'তোবা ঘোঁৰাত উঠি, ক'তো হাতীত উঠি যাব লগা হৈছিল। সদায়ে দা-কুঠাৰ আদি লৈ যাব লাগে। বাটত ধতাহ-ধুমুহাত বাগৰি পৰা গছ আদি কাটি কোনো কোনো ঠাইৰ আস্থা হাবিত লুংলুঙীয়া বাটটো নোহোৱা অঞ্চলত হাবি চাফা কৰি বাট কাটিহে আগুৱাব পাৰিছিলোঁ। য'লৈকে জীপ যাব ত'লৈকে জীপেৰেই গৈছিলোঁ, কিন্তু খোজকাঢ়ি লগা দীৰ্ঘ পথৰ তুলনাত জীপেৰে যাব পৰা বাট নিচেই সামান্য আছিল। ঠায়ে ঠায়ে বনৰীয়া জন্তু, হাতী আদিৰো উৎপাত নোহোৱা নহয়। মহ-জোক, পোক, ডাঁহ-ডিমৰতো কথাই নাই। এই বিপদজনক অভিযানে মোৰ কৰ্ম প্ৰেৰণা আন্তৰিকতাৰে বঢ়াইছিলহে। মোৰ বাবে এই অভিযান অতি আনন্দদায়ক আছিল। এই অভিযান সৃজনীমূলক আছিল। নিতো নতুন অভিজ্ঞতাৰেই মোৰ মন পৰিপূৰ্ণ কৰি, নতুন কল্পনা নতুন সংকল্পৰ পথ মুকলি কৰি দিছিল।" (পৃষ্ঠা ৭৫) তদুপৰি শদিয়াত তেওঁৰ বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ লগতে জনজাতি ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰাৰ সময়ত বৰভূঁইকম্পৰ বাবে অঞ্চলটোৰ যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছিল। সেই বিষয়ে তেওঁ লিখিছে —
"১৯৫০ চনৰ প্ৰলয়ংকাৰী ভূমিকম্পই আমাৰ সকলো আশা চূৰমাৰ কৰি বিৰাট বাধাৰহে সৃষ্টি কৰি আমাক শদিয়াৰ পৰা উভতি আনিলে মাৰ্ঘেৰিটালৈ। ব্ৰহ্মপুত্ৰৰ কবলৰ গ্ৰাসত শদিয়া দিনে দিনে নাইকিয়া হ'বলৈ ধৰিলে। আমি ১৯৫২ চনত সম্পূৰ্ণভাৱে শদিয়া এৰি মাৰ্ঘেৰিটাত মঠ পাতিলোঁহি। শদিয়াত আমাৰ কোনো চিন-চাবেই নাথাকিল। ১৯৫২ চনৰ পৰা মাৰ্ঘেৰিটাতে থাকি তাৰে পৰা আমাৰ কাম-কাজ চলাবলৈ ল'লোঁ। এইখিনি সময়ত খাই কাম হৈছিল ভূমিকম্পত ক্ষতিগ্ৰস্ত স্কুলসমূহৰ জা-টাপলি মৰা। ক্ষতি ইমানেই বেছি হৈছিল যে নতুন স্কুল খোলাৰ কথা ভাবিবই পৰা নগৈছিল। গতিকে আমাৰ অভিযানৰ গতিও বিশেষ মন্থৰ হৈছিল। জন-ক্ষতি বিশেষকৈ লোহিত অঞ্চলতেই যোৱা বাবে আন অঞ্চলত অলপ কাম-কাজ আগবাঢ়িছিল। মাৰ্ঘেৰিটাত ভূমিকম্পত গৃহহাৰা, পিতৃ-মাতৃহাৰা ল'ৰা-ছোৱালীৰ বাবে এখন অনাথ শিশু সদন খোলা হৈছিল।" (পৃষ্ঠা ৭৭)

একেদৰেই আন কিছুমান ৰোমাঞ্চিত ঘটনাৰ সাক্ষী হ'বলগীয়া হৈছিল

আৰু সেইবোৰ তেওঁ সাহসেৰে পাৰ কৰি গৈছিল। যি সময়ত পাগলা নদীখনি হৈ দুৰ্ভিক্ষৰ দৰে অৱস্থা হৈছিল, তেনে সময়তে ইন্দিৰা মিলিয়ে যথেষ্ট সাহসেৰে অঞ্চলটোৰ বাহিৰৰ সেৱা আগবঢ়াইছিল। তেওঁ লিখিছে — "নিজিৰাৰ বাবে এখন একনীয়া উদ্ধাৰকাৰ্য আছিল। তাত পাইলট আছিল বিশ্বনাথন বুলি এজন ডেকা। মই বিশ্বনাথনৰ সৈতে উদ্ধাৰকাৰ্যত নিজামঘাটলৈ গ'লোঁ। ওপৰৰ পৰা নিজামঘাটৰ অৱস্থা দেখি মোৰ চকু স্থিৰ। মানুহবিলাক গছত ওলমি আছে; মাজে মাজে ক'ৰবাত বালি পৰি অলপ শুকান ঠাই ওলাই আছে। মানুহখিনিয়ে প্লেন দেখি চিঞৰিবলৈ ধৰিলে। কালীয়ে (কালী বাউত) বালিতে এডাকেৰে ডাঙৰ ডাঙৰকৈ লিখি দিলে — চিৰা, কটি, মুৰ্হিশলা, চাউল, নিমখ, চেনি, মমবাতি আদি লাগে। আমি ঘূৰি আহি সকলো বস্তু যোগাৰ কৰি পঠোৱাৰ ব্যৱস্থা কৰিলোঁ। এনেকৈ প্ৰায় দহ দিনমান টোপ খুৱাই চৰাই পোৱালি জীয়াই ৰখা দি মানুহখিনিক ৰাখি তাৰ পৰা অতি কষ্টেৰে এজন এজনকৈ নৈৰ সিপাৰৰ ডাম্বুকলৈ নিয়া হ'ল। মানুহখিনি উদ্ধাৰ কৰাটো এটা বিশেষ সংকটজনক কাম আছিল। কাৰণ প্লেনত এজনকৈহে মানুহ আনিব পৰা যায়। ইফালে নিজামঘাটত নামিব পৰা সুবিধাজনক ঠাইয়ো নাই। ঠাই ইমানেই ঠেক যে প্লেনখন এজনে পাইপিনৰ পৰা ধৰি দিলেহে কথমপি উঠিব পাৰে। যি কি নহওক, সামান্যভাৱে পানী অলপ শুকালত উদ্ধাৰ কাৰ্য আৰম্ভ কৰা হ'ল। প্ৰথম মই আৰু জাৰ্মান চাহাব (তেতিয়াৰ ডিব্ৰুগড়ৰ ডেপুটি কমিছনাৰ) আগতে ডাম্বুকলৈ গ'লোঁ। মই ডাম্বুকত নামি থাকিলোঁ, জাৰ্মান চাহাব পাইলটৰ লগতে নিজামঘাটলৈ গ'ল। পাইলটে জাৰ্মান চাহাবক নিজামঘাটতে ৰখাই থৈ এজন এজনকৈ সকলোকে ডাম্বুকলৈ আনিবলৈ শেষত আনিবলৈ বাকী থাকিল জাৰ্মান চাহাব। পাইলটজনে জাৰ্মান চাহাবক আনিবলৈ শেষবাৰৰ বাবে নিজামঘাটলৈ গ'ল। মোৰ চিন্তাত কণ্ঠ শুকাল, উশাহ-নিশাহ যেন বন্ধহে হ'ব। আকৌ প্লেনখন নিজামঘাটত কোনেও পিছফালৰ পৰা ডাঙি নিদিয়াত উঠিব নোৱাৰে। এজন এজনকৈ মিচিমিসকলক পাৰ কৰোঁতে জাৰ্মান চাহাবেই প্লেন উঠাত সহায় কৰিছিল। কিন্তু শেষত জাৰ্মান চাহাব প্লেনত উঠিলে কোনে প্লেন উঠাত সহায় কৰিব? ভগৱানক চিন্তি বহি থাকিলোঁ — প্লেনখন নাহেহে নাহে। কিছুপৰ পিছত পাইলটে শেষ যাত্ৰী জাৰ্মান চাহাবক লৈ ডাম্বুক পালেহি। তেতিয়াহে স্বস্তিৰ নিশ্বাস পেলালোঁ। সকলো লোককে ডাম্বুকত থকাৰ ব্যৱস্থা কৰি দি আমি শিক্ষকৰ সৈতে ঘূৰি আহিব পাৰিলোঁহি। এই উদ্ধাৰ কাৰ্য

শেষ কৰোঁতে আমাৰ প্ৰায় সমগ্ৰ দিনটোৱেই লাগিছিল। তাঁৰ হাতত বান্ধিছে যেন কামটো সমাধা কৰা হ'ল।" (পৃষ্ঠা ৮ম, ৮৫)

নেফাৰ দুৰ্গম ট্ৰেইল সম্পৰ্কে তেওঁ আত্মজীৱনীখনৰ 'ডাঃ নেফাকালৰ নেফা ভ্ৰমণ' শীৰ্ষক শিৰোনামত লিখিছে — "নেফাৰ সকলো অঞ্চলতেই বাটা ওখ-চাপৰ, লিছে খামটি অঞ্চলত তুলনামূলকভাৱে বাটা অলপ কম ওখ-চাপৰ। হাতী ওপৰলৈ উঠিলে। বিশেষকৈ পিছত বহাজন বেছি তললৈ নামি যায়, আকৌ হাতীয়ে তললৈ খোজ দিলে যাত্ৰী ওপৰ হয়। হাতীয়ে তললৈ খোজ দিলে যাত্ৰী ডাঃ পালিত পিছত বহিছিল, গতিকে হাতী উঠা-নমা কৰাৰ লগে লগে তেওঁ উঠিছে-নামিছে আৰু চিঞৰিছে — 'গিছেছ মিৰি, মলাম গো'। তেওঁৰ বেচেৰা একেবাৰে পেঁপুৱা লাগিছে। মই অভয় দি হাতীৰ পিঠিৰ বহি জোৰেৰে টানি ধৰিবলৈ কৈ কোনো ভয় নাই বুলি আশ্বাস দি কোনোমতে চৌখাম পালোঁগৈ। ডাঃ পালিতৰ কান্দিবলৈহে বাকী আছিল। খুবেই ভয় খাইছিল। সি যি কি নহওক, আমি খোৱাটো হাতীৰ বিৰাট দলটোৰে সৈতে হৈ-হাল্লা কৰি চৌখাম পালোঁগৈ" (পৃষ্ঠা ১০৭)। তেনে দুৰ্গমতা ভয় বা আশংকা বুলি নাভাবি প্ৰচুৰ সম্ভাৱনা আৰু গভীৰতাৰে পূৰ্ণ বুলি উল্লেখ কৰি ইন্দিৰা মিৰিয়ে লিখিছে — "দুৰ্গমতাৰ এক বিৰাট গভীৰত্ব আছে। আৰু আছে এক অদ্ভুত মাদকতা হাবিয়ে-বননীয়ে, বোকাই-পানীয়ে, শিলগুটিয়ে ভৰি ছিঙি দিয়া বাটেৰে খোজ নচলা হৈ যায়। তথাপি যাত্ৰীৰ ক্লান্তিও নাই, ক্ষান্তিও নাই — অন্ত ক'ত অন্ত ক'ত অন্ত তোমাৰ নাই বুলি থাকে অনন্ত বাট"। (পৃ, ৮১)

ইন্দিৰা মিৰিয়ে নগা পাহাৰৰ টুৱেনচাঙত নগাসকলৰ পৰম্পৰাগত মূৰ চিকাৰ কৰা (Head Hunting) ঘটনাৰ সাক্ষী হৈছিল। মূৰ চিকাৰ কৰিব পৰাটো সাহস, গৌৰৱ আৰু সন্মানৰ বিষয়। আনকি মূৰ চিকাৰ কৰা লোকসকলে মৃত্যুৰ পিছত এনে সন্মানজনক আসনত অধিষ্ঠিত হয় বুলি পৰম্পৰাগত বিশ্বাস আছিল। তেনে এক ঘটনাৰ বিৱৰণ দাঙি ধৰিছে এনেদৰে — "মই গধূলি গা-প' ধুই অলপ জিৰাই এছ ডি অ'ৰ ঘৰতে ডেপুটি কমিছনাৰক লগ ধৰিবলৈ গ'লোঁ। সেই অৱস্থা দেখি একেবাৰে হতভম্ব। এজন নগাই মানুহৰ মূৰ এটাৰ একাল ওলোমাই লৈ ডি চি আৰু এছ ডি অ'ক কিবাকিবি কৈ আছে। এনে দৃশ্য মই আগে কাহানিও দেখা নাই। মোক এছ ডি অ'ই বহিবলৈ কোৱাত বহিলোঁ। তেওঁলোকসকলে নগাজনক বিদায় দিলে। নগাজনে মূৰৰ একাল লৈ ডি চিক কিবা গোচৰ দিলেহি।

বিচাৰ কৰি দিব লাগে। মুখ্যটোৰ আনন্দমনে তেওঁলৈ প্ৰতিদ্বন্দ্বীৰ হাতত আছে। সমস্ত মুখটো কোনে কাঢ়িছে তাকে বিচাৰ লাগে। মই ডি. চি. আৰু এছ. ডি. অ'ৰ লগত কথা-বতৰা হৈ বুজিলো যে টুৱেনচাঙলৈ যোৱা নহ'ব, কাৰণ ৰাস্তা এতিয়াও ভালকৈ খোলোৱা নাই।" (পৃষ্ঠা ৯৯) তদুপৰি সেই সময়ত নাগা নেচনেল কাউঞ্চিলৰ নেতৃত্বত নগাসকলৰ স্বাধীনতাৰ যি সংগ্ৰাম চলিছিল আৰু যি সংগ্ৰামে অতি ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল তেনে অৱস্থাতো বিচলিত নোহোৱাকৈ তেওঁ শিক্ষা ব্যৱস্থা আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিছিল।

সেই সন্দৰ্ভত তেওঁৰ আত্মজীৱনীত লিখিছে — 'ইমানেই ভীত আৰু সন্দিগ্ধ হৈছে যে তেওঁলোকতো তাতে নাথাকেই, মোকো থাকিবলৈ নিদিয়ে। মই তেওঁলোকক লৈ পিছদিনাই উভতিব লাগে। সি যি কি নহওক বহুত বুজাই-বঢ়াই সেইদিনা ৰাতিটো অন্ততঃ থাকিব লাগিব যেতিয়া আমি তাকে ব্যৱস্থা কৰিবলৈ ন'লো। পিছে মোক তেওঁলোকে কোনেও কেম্পত থাকিবলৈ নিদিয়ে। মই কিন্তু কেম্পতে থাকিলো। অৱশেষে অসম ৰাইফলছৰ জমাদাৰজনক আলকৈ সুৰক্ষাৰ ব্যৱস্থা কৰিবলৈ ক'লো। মোৰ লগত যোৱা নগা ডেকা চাংকিজাৰ আতংক দেখি মই আচৰিত। তেওঁ কৈছে — 'মেডাম ইহঁতে মোকে আগে মাৰিব, কাৰণ মই চৰকাৰৰ কাম কৰিছোঁ আৰু ইয়াৰ মানুহখিনি সৰহ সংখ্যক এন এন চি'।" (পৃষ্ঠা ১০৩)

"মই টুৱেনচাং পায়েই খবৰ পালোঁ যে মোক ধ'ৰবলৈ অহা ডিপাইকেইজনক আকাশমিত কচু কটা দি এন এন চিৰ মানুহে কাটিলে। মই টুৱেনচাং পোৱাৰ আগতেই টুৱেনচাঙত এই খবৰ পাই সকলোৱেই মোৰ বাবে বিশেষ চিন্তিত হৈছিল। ইতিমধ্যে সেইদিনাই গৱৰ্ণৰো টুৱেনচাং পাইছেহি। গৱৰ্ণৰে পলিটিকেল অফিচাৰক কৈ থৈছিল যে মই আহি পালেই তেখেতক যেন দেখা কৰাৰ ব্যৱস্থা কৰায়।" (পৃষ্ঠা ১০৪)

ইন্দিৰা মিৰিয়ে তেওঁৰ শিক্ষা নীতিৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে এনেদৰে বৰ্ণনা কৰিছে —

(১) জীৱন আৰু জীৱিকা
(২) সম্পূৰ্ণ শিশুৰ সম্পূৰ্ণ শিক্ষা
(৩) সম্পূৰ্ণ সমাজ সম্পূৰ্ণ শিক্ষা
(৪) জৱাহৰলালজীৰ সতৰ্কবাণী — 'জনজাতিসকল আমাৰ

*দ্বিতীয় সংস্কৰণ হ'ব লাগিব।'*

মাজে-সময়ে তেওঁ অদ্ভুত অভিজ্ঞতাৰো সাক্ষী হ'ব লগা হৈছিল। উদাহৰণস্বৰূপে — যেতিয়া তেওঁ এখন বিদ্যালয়ত শিক্ষাদান কৰি আছিল তেতিয়া এজন অভিভাৱকে আহি তেওঁক সুধিছিল – "মানে আজিতো মোৰ ল'ৰাটো যেতিয়া ঘৰ আগে ল'ৰাটোৰ বদলি আজি মই স্কুলত আহিলে হ'লে?" (পৃষ্ঠা ৭৬)

১৯৫৭ চনত যোৰহাটত স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে যোগদান কৰি অসমৰ প্ৰথমখন শিক্ষক প্ৰশিক্ষণৰ বাবে মহাবিদ্যালয় স্থাপন কৰি বাট মুকলি কৰি গৈছে। ১৯৬৮ চনত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছতো গুৱাহাটীৰ বাণীকান্ত বি. টি. কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তদুপৰি কোঠাৰী আয়োগৰ টাস্ক ফৰ্চৰ সদস্য হৈ থকাৰ সময়ত ভাৰতবৰ্ষত শিক্ষাৰ অধোগতিৰ দুটামান দিশ উল্লেখ কৰি কৈছে — "অৰ্থাভাৱৰ লগতে জ্ঞান আহৰণ অৰু জ্ঞান দান দুই বেলেগ প্ৰথা যেয়া আজিও দূৰ হৈ উঠা নাই। দ্বিতীয়তে বিশ্ববিদ্যালয়সমূহে বিশেষ সতৰ্কতাৰে বি. টি. কলেজ খোলাৰ অনুমোদন দিয়াটো উচিত।" (পৃষ্ঠা ১৫৩) অসমত কাঠফুলাৰ দৰে গঢ়ি উঠা বি. টি. কলেজ সম্পৰ্কত তেওঁ লিখিছে — "ঘৰে-ঘৰে, হ'তে-ক'তে বি. টি. কলেজ খুলি বি. টিৰ নিচিনা এটা উচ্চমানৰ পেচি ডেজুকেট ডিগ্ৰী ইমান সহজে লাভ কৰি বিধিনি শিক্ষক ওলাইছে তেওঁলোক স্কুলত সাৰ্থকভাৱে গ'খা-ভোলোনী পৰ্যায়ৰ শিক্ষক হ'বই নোৱাৰে, তেওঁলোক হৈছে টিউচন শিক্ষক।" *(পৃ. ১৫১)* উল্লেখযোগ্য যে ১৯৮০ চনত সমাজ কল্যাণ বিভাগৰ চেয়াৰমেন হিচাপে দায়িত্ব পালন কৰাৰ সময়তো তেওঁ দুই-কাজিয়া উলিয়াই কৰাৰ বিষয়ে আত্মজীৱনীৰ পৰা জানিব পৰা যায়।

আহমেদাবাদৰ গুজৰাট বিদ্যাপীঠত হুমহীয়া প্ৰশিক্ষণ এটাত প্ৰশিক্ষাৰ্থী হিচাপে অংশগ্ৰহণ কৰোঁতে মণ্টেশ্বৰীক শিক্ষাগুৰু হিচাপে লগ পাইছিল। ইংলিণ্ড মিশিয়ে ঋতিলেণ্ডৰ এডিনবৰা বিশ্ববিদ্যালয়ত মণ্টেশ্বৰীৰ পৰা পুনৰ আশীৰ্বাদ লাভ কৰাৰ উপৰি স্কটলেণ্ডত খুলমাবচন, কেম্পবেল, থমচন আদি বিখ্যাত শিক্ষাবিদৰ সান্নিধ্য লাভ কৰিছিল। লেখকৰ শিক্ষা বিষয়া হৈ থাকোঁতে কেন্দ্ৰীয় বিষয়া ডাঃ কেইলাৰ, কবি-গীতিকাৰ কীৰ্তিনাথ বৰদলৈ, কাপকৌশল জ্যোতিপ্ৰসাদ আগৰৱালা, ৰামকৃষ্ণ মিছনৰ প্ৰখ্যাত ব্ৰহ্মচাৰী স্বামী শংকৰানন্দ, ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ

প্ৰদান, প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আদিয়ে ইন্দিৰা মিৰিয়ে প্ৰতিষ্ঠা কৰা বিদ্যালয়সমূহ পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময় কৰিছিল।

**উপসংহাৰ ঃ** ইন্দিৰা মিৰিয়ে অৰুণাচল প্ৰদেশত (নেফা) শিক্ষাৰ বীজ ৰোপণ কৰাৰ ফলতেই পৰৱৰ্তী সময়ত লুম্মেৰ দাই, যেছে দৰজে থংচি, টাগাম টাকি আদি অৰুণাচলী লেখকে অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি গৈছিল। সেই ধাৰা অব্যাহত থকা হ'লে আজিও অসমীয়া ভাষাই 'অৰুণামিজ' (নেফামিজ) আৰু 'নাগামিজ' হিচাপে নাথাকি সমগ্ৰ অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডত বিস্তাৰ লাভ কৰিলেহেঁতেন। ভাৰত চৰকাৰে ১৯৭৭ চনত পদ্মশ্ৰী, অসম চৰকাৰে ২০০৪ চনত শংকৰদেৱ বঁটা প্ৰদান কৰাৰ উপৰিও ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সৰ্বোচ্চ ডিগ্ৰী 'ডি লিট' উপাধি প্ৰদান কৰিছিল। অনুৰাধা শৰ্মা পূজাৰীৰ ইন্দিৰা মিৰিৰ জীৱন আধাৰিত উপন্যাস 'মেৰেং' বহুলভাৱে সমাদৃত। শিক্ষাবিদ ইন্দিৰা মিৰিৰ নামত অসম আৰু অৰুণাচল প্ৰদেশত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিলে তেওঁৰ কৰ্মৰাজিক উচিত সন্মান প্ৰদৰ্শন কৰা হ'ব। এইক্ষেত্ৰত চৰকাৰ, শিক্ষাবিদ, দল-সংগঠন সকলোৱে ভূমিকা লোৱা উচিত।

**গ্ৰন্থপঞ্জী ঃ**

১। দেওগা, নিতুল (সম্পাঃ) ঃ ইন্দিৰা মিৰিৰ 'মই আৰু *নেফা*', অসম বুক ট্ৰাষ্ট, পানবজাৰ, গুৱাহাটী-১

২। বাজখোৱা, অজন্তা ঃ '১২ *অসাধাৰণ অসমীয়া নাৰী*', গুৱাহাটী ফাউণ্ডেশ্যন আৰু কথাৰ সহযোগত,
গুৱাহাটী-১, প্ৰথম প্ৰকাশ, ২০২২ চন

**ইংৰাজী ঃ**

Taye, Nabin Chandra (Ed.) : *Prominent Mising Personalities of Assam-II* , Assam Institute of Research for Tribals and Scheduled Castes,
Jawahar Nagar, Guwahati-28, Second Publication, 2002